**মোৰ**

**প্ৰিয় সতীৰ্থ সকল,**

**মৰমৰ ছাত্ৰ- ছাত্ৰী সকল,**

০৩/০৪/২০২০

"মৃত্যুটো এটা শিল্প জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কাৰ্য"

-হীৰেন ভট্টাচাৰ্য

কবি হেম বৰুৱাৰ ভাষাত-

"যি মৃত্যুয়ে দহক জীৱন দিয়ে

সেই মৃত্যু আত্মাৰ দৰেই অবিনশ্বৰ" ।

#মৃত্যুবিহীন এটা জীৱন ভাবিবলৈহে সুন্দৰ যেন লাগে । কিন্তু দৰাচলতে মৃত্যু বিহীন জীৱন চূড়ান্ত বিৰক্তিকৰ আৰু পৰিকল্পনা বিহীন হ’ ব । কাৰণ আমাৰ হাতত অন্তহীন সময় থাকিলে প্ৰতিটো কাম পিছলৈ থৈ দিয়াৰ মানসিকতাই গঢ় ল’ ব ।'

লকডাউনৰ আজি ১০ ম দিনটোত মোৰ মনলৈ অহা কিছুমান বেবেৰিবাং প্ৰশ্ন । সমগ্ৰ বিশ্বত আজি মৃত্যুৰ বিভিষিকা , ভাইৰাচৰ বাবে মৃত্যু । যি মৃত্যুত কোনো শিল্প সৃষ্টি নহয় , সেই মৃত্যু অৰ্থহীন । অৰ্থহীন মৃত্যু কোনেও কামনা নকৰে । যুদ্ধক্ষেত্ৰত সামৰিক বাহিনীৰ লোক এজন সন্মুখৰ পৰা গুলিবিদ্ধ হৈ মৃত্যুবৰন কৰিলে জোৱান জনৰ সেই মৃত্যু , কঠীন শিলত খোদিত কৰি ভাস্কয্য সৃষ্টি কৰিব পাৰি ।

(মোৰো এদিন মৃত্যু হৈছিল , অকস্মাতে ,নিৰবে , অৰ্থহীন ভাবে - কাহিনীতো অলপ বৰ্ণনা দিলো )

#২০১১ চনৰ ৩০ নবেম্বৰ তাৰিখ সোমবাৰ : চৰকাৰী কামত গুৱাহাটীলৈ গৈ বিশেষ এটা কামৰ বাবে বামুনিমৈদাম স্থিত অসম উচ্চ মাধ্যমিক শিক্ষা সংসদৰ অফিচলৈ যাৱ লগীয়া হৈছিল । তেতিয়া সময় প্ৰায় দিনৰ ১১ বাজি ৩০ মিনিত । গেটৰ ভিতৰত প্ৰবেশ কৰি মুকলি ঠাই ডোখৰত অলপ সময়ৰ বাবে ৰৈছিলোহে মাত্ৰ । এনেতে ঘৰৰ পৰা পৰিবাৰৰ এটা ফোন'কল অহাৰ বাবে দুখোজ আতৰলৈ খুজ ল'ওতেই তিনিমহলীয়া ঘৰতোৰ ওপৰৰ পৰা খিৰিকীত লগাই থোৱা চিচাৰ গ্লাচ ( প্ৰায় ৫ ফুট দৈঘ্যৰ ) প্ৰথমে গৈ ৰৈ থকা ঠাইত পৰি চূৰ্ন- বিচূৰ্ণ হৈ পৰিছিল । ইয়াৰ অৰ্থ এইটোৱেই যে ২০ চেকেণ্ডৰ আগত অৰ্ধাঙ্গিনীএ ফোনতো নকৰা হলে সেই মূহুৰ্ততে মোৰ জীৱনৰ ইতি পৰিলেহেতেন । কিবা কৰি ভগৱানে এবাৰৰ বাবে হাত পাতি ধৰিলে । ওচৰতে থকা চিকিওৰিতি গাৰ্ড জনে দৌৰি আহি মোক সাৱটি ধৰিলেহি । মই একো ধৰিবই নোৱাৰিলো , কৰ পৰা কি হ'ল । পিচত গাৰ্ড জনেহে কলে এনেকৈ বহুবাৰ ওপৰৰ পৰা গ্লাচ আহি তলত পৰিচেহি , কিন্তু সৌভাগ্য বশত

কেইবাজনো বাচি গৈছে । আচৰিত , অতি ব্যস্ততাপূৰ্ণ অফিচ হিচাপে তা'তে আছে মৰাত্মক বিপদ । সকলোকে কৈছো , কিবা কামত গলেও সেই অফিচৰ তলত ভূলতে হলেও কেতিয়াও নৰব । কথাটো তেতিয়াই মই সংসদৰ সচিবক জনাই থৈ অহিছো । এতিয়াও সেইফালে গ'লে ঘৰটোৰ খিৰিকী বিলাক দেখিলে জীও উৰি যায় । আজি ল'ক ডাউনৰ ১০ ম দিনা সেই দিনটোৰ কথা মনত পৰি ভাবিছো এটা অৰ্থহীন মৃত্যুৰ পৰা কোনো মতে বাচি আহিলো । সেইয়েহে কওঁ মৃত্যুলৈ ভয় নকৰিবা । জীৱনটোক চেলেঞ্জ হিচাপে লোৱা । অৰ্থহীন মৃত্যুক প্ৰতিহত কৰি জীৱনটোক অৰ্থৱহ কৰি তোলা ।

২১ দিন ল'কডাউন :

এই দিনকেইটাতে মানুহে( মই,আমি ,সকলোৱে) ক'ৰোনাৰ পৰা বাচি ,শিল্প বিহীন মৃত্যুক অমৰত্ব কৰি তুলিব লাগিব । কিন্তু কেনেকৈ !!

ধৰি ললো আমি সকলোৱে এক নতুন জীৱন পালো । এই জীৱনটোত সকলোৱে হিংসা- দ্বেষ , উষ্চ-নীচ ,জাতি-ভেদ পৰিহাৰ কৰি মানৱীয় প্ৰমূল্য বোধেৰে নিজ কৰ্মত মনোনিবেশ কৰা । আমি এনে কৰ্ম কৰিম , যি কৰ্মই মানুহক মহান আৰু মহিয়সী কৰি তোলে । নিজৰ কৰ্মৰাজীৰে নিজৰ জীৱনটোক ভাৰ্স্কয্য শিল্পত খোদিত কৰি যাওঁ । আহক এই কেইদিন ঘৰতে থাকি কভিড-১৯ 'ক পৰাস্ত কৰো ।

শেষত ওমৰ খৈয়ামৰ অমৰ বাণীৰে সামৰণি মাৰিছো -

"এই পৃথিৱীত এটাই মাথো সচাঁ
বাকী সকলোটি তেনেই ভূল
এবাৰ সৰিলে সৃষ্টিৰ বুকুত
নুফুলে দুনাই জীৱন ফুল"

আৰু-----

" মাৰে হৰি ৰাখে কোনে - ৰাখে হৰি মাৰে কোনে "

**ড° ৰঞ্জিত শইকীয়া**
**অধ্যক্ষ**
**চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়**